**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-MAY-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ডঃ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ আজি প্ৰথমখন কেবিনেট বৈঠক।

২। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ আজি শুনানি।

৩। গুৱাহাটী মহানগৰীত কৃত্ৰিম বান আৰু উন্মুক্ত মেনহ'লৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত ৰাজ্য চৰকাৰক শপতনামা দাখিল কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

৪। অন্ধ বিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে সাহসেৰে যুঁজ দিয়া বীৰুবালা ৰাভাৰ আজি পূণ্য তিথি। গোৱালপাৰা জিলাৰ লগতে বিভিন্ন স্থানত কু-সংস্কাৰ বিৰোধী দিৱস পালন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ছানৰাইজাৰ্ছ হায়দৰাবাদক ৮২ ৰানত পৰাস্ত কৰি গুজৰাট টাইটানছৰ পইণ্ট তালিকাৰ শীৰ্যত স্থান লাভ।

০০০০০০

ডঃ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন কেবিনেট বৈঠক আজি অনুষ্ঠিত হ'ব। কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত দিনৰ দুই বজাত বৈঠকখন আৰম্ভ হ'ব। দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাৰ পাছত ডঃ শৰ্মাই প্ৰথমটো কাৰ্যসূচী হিচাপে আজি পুৱাই লোকপ্ৰিয় গোপীনাথ বৰদলৈ সমাধিক্ষেত্ৰ পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে, ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি খানাপাৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, বিভিন্ন ৰাজ্যৰ ২১ গৰাকী মুখ্যমন্ত্ৰী তথা বহু কেইগৰাকী বিশিষ্ট বক্তিৰ লগতে লক্ষ্যাধিক লোকৰ উপস্থিতিত দ্বিতীয়বাৰৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে তেওঁৰ চাৰিগৰাকী সতীৰ্থ বিধায়কেও কালি খানাপাৰাত শপত গ্ৰহণ কৰে। বিজেপিৰ অজন্তা নেওগ আৰু ৰামেশ্বৰ তেলী, মিত্ৰদল অগপৰ পৰা দলটোৰ সভাপতি অতুল বৰা আৰু বিপিএফৰ পৰা চৰণ বড়োৱে কালি মন্ত্ৰী হিচাপে শপত লয়। মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰি অজন্তা নেওগে ৰাজ্যৰ উন্নয়নৰ বাবে কাম কৰি যাব বুলি প্ৰকাশ কৰে।

*(বাইট)*

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বিধানসভাৰ অধ্যক্ষ হিচাপে দায়িত্ব ল'ব বুলি ডঃ শৰ্মাই প্ৰকাশ কৰিছে।

ইপিনে, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰীসভা শীঘ্ৰেই সম্প্ৰসাৰণ কৰা হ'ব বুলি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কালি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। সভাপতি শ্ৰীশইকীয়াই কয়, যে ২১ মে'ৰ পৰা হ'বলগীয়া অসম বিধানসভাৰ অধিৱেশনত নতুন মন্ত্ৰীসকলে শপত গ্ৰহণ কৰিব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ সৈতে আলোচনা চলি আছে বুলিও তেওঁ প্ৰকাশ কৰে।

**বাইট (দিলীপ শইকীয়া)**

০০০০০০

নতুন দিল্লীত আজি দিনৰ ১১ বজাত নৰেন্দ্ৰ মোদী চৰকাৰৰ এখন গুৰুত্বপূৰ্ণ কেবিনেট বৈঠক অনুষ্ঠিত হ'ব। বৈঠকৰ পাছত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰিব। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে কালি দেশবাসীক পেট্ৰ'ল-ডিজেলৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ আহ্বান জনোৱাৰ পাছতেই প্ৰধানমন্ত্ৰীৰ কনভয়ৰ গাড়ীৰ সংখ্যাও হ্ৰাস কৰা হৈছে।

০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনৰ শুনানি আজি গ্ৰহণ কৰা হ'ব। বৰ্তমান বাক্সা জিলা কাৰাগাৰত বন্দী হৈ থকা অভিযুক্তজনৰ জামিন আবেদন সোমবাৰে তেওঁৰ অধিবক্তাই উচ্চ ন্যায়ালয়ত দাখিল কৰাৰ পাছত আবেদনৰ শুনানি ন্যায়াধীশ পাৰ্থজ্যোতি শইকীয়াৰ বিচাৰপীঠত তালিকাভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে যোৱা ৩০ এপ্ৰিলত শ্যামকানু মহন্তৰ জামিন আবেদন নাকচ কৰিছিল। আদালতে গোচৰটোৰ আন এজন অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন যোৱা ৪ মে'ত নাকচ কৰিছিল।

০০০০০০

গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান আৰু উন্মুক্ত মেনহ'লৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। অধিবক্তা সন্দীপ ছমৰীয়াই গুৱাহাটীৰ কৃত্ৰিম বান আৰু অসুৰক্ষিত নলা-নৰ্দমাৰ ফলত জনসাধাৰণে সন্মুখীন হোৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি এখন আবেদন ন্যায়ালয়ত দাখিল কৰিছে। ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে কালি এই আবেদনৰ শুনানি গ্ৰহণ কৰি চৰকাৰক এইক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। ন্যায়ালয়ে মহানগৰীখনৰ উন্মুক্ত মেনহ'ল আৰু অসুৰক্ষিত নলা-নৰ্দমাসমূহে যাতে জনসাধাৰণৰ জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিব নোৱাৰে, সেইক্ষেত্ৰত তাৎক্ষণিক ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছে। উচ্চ ন্যায়ালয়ে সেইক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে উল্লেখ কৰি শপতনামা দাখিল কৰিবলৈও নিৰ্দেশ দিয়ে। ন্যায়ালয়ে গুৱাহাটী পৌৰ নিগমৰ আয়ুক্তক বিষয়টো সন্দৰ্ভত দৃষ্টি ৰখাৰ লগতে আদালতে বিচৰা মাত্ৰেই উপস্থিত হৈ তথ্য দাখিল কৰিবলৈ কৈছে। উল্লেখযোগ্য যে অধিবক্তাগৰাকীয়ে দাখিল কৰা আবেদনখনত যোৱা ১৯ এপ্ৰিলত মালিগাঁৱত সৃষ্টি হোৱা কৃত্ৰিম বান পৰিস্থিতিৰ মাজত এগৰাকী মহিলাৰ মেনহ'লত পৰি মৃত্যু হোৱা ঘটনাৰ কথা উল্লেখ কৰা হৈছিল। উচ্চ ন্যায়ালয়ে এই বিষয়টো সন্দৰ্ভত অহা ২৫ মে'ত পুনৰ শুনানি গ্ৰহণ কৰিব।

০০০০০০

অন্ধ বিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি সমাজত জাগৰণৰ সূচনা কৰি যোৱা পদ্মশ্ৰী সন্মানেৰে সন্মানিত বীৰুবালা ৰাভাৰ পূণ্য তিথি উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হৈছে। গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তৰ ঠাকুৰভিলা নামৰ এখন গাঁৱত জন্মগ্ৰহণ কৰা বীৰুবালা ৰাভাই ২০০০ চনৰ পৰা ডাইনী কু-প্ৰথাৰ বিৰুদ্ধে সক্ৰিয় হৈ কাম কৰি আহিছিল। কমেও ৩৪ গৰাকী লোকৰ প্ৰাণ ৰক্ষা কৰা বীৰুবালা ৰাভাই ২০১১ চনত গোৱালপাৰা জিলাত মিছন বীৰুবালা আৰম্ভ কৰে। ২০১২ চনৰ ৩০ অক্টোবৰত এই মিছনক ৰাজ্যিক অভিযান হিচাপে স্বীকৃতি দিয়া হয়। ২০২১ চনত পদ্মশ্ৰী সন্মানেৰে সন্মানিত বীৰুবালা ৰাভাৰ নাম ২০০5 চনত শান্তিৰ ন'বেল বঁটাৰ বাবেও প্ৰেৰণ কৰা হৈছিল। মুখ্যমন্ত্ৰী ডঃহিমন্ত বিশ্ব শৰ্মাই সামাজিক কু-সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা এইগৰাকী মহান নাৰীক আজি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। বীৰুবালা ৰাভাৰ পূণ্য তিথিতো চৰকাৰে কু-সংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰি অহাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এইগৰাকী মহিয়সী নাৰীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

গোৱালপাৰা জিলাৰ লগতে বিভিন্ন স্থানত আজি কু-সংস্কাৰ বিৰোধী দিৱস পালন কৰা হৈছে। মিছন বীৰুবালাৰ উদ্যোগত আৰু জিলা সমাজ কল্যাণ বিভাগৰ সহযোগত ঠাকুৰভিলাৰ বীৰুবালা ৰাভা সাংস্কৃতিক ভৱনত এই উপলক্ষে কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই সন্দৰ্ভত আমাৰ গোৱালপাৰাৰ সংবাদদাতা ৰছিদুল হুছেইনে এইদৰে কয় –

(বাইট)

০০০০০০

বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতি আৰু জীৱিকা অভিযান অৰ্থাৎ VB G RAM G আইন অহা ১ জুলাইৰ পৰা দেশজুৰি কাৰ্যকৰী হ'ব। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত অভিযানৰ অধীনত পূৰ্বে এশ দিনৰ কৰ্ম নিশ্চয়তা প্ৰদান কৰা হৈছিল যদিও এই নতুন আইনৰ অধীনত ১২৫ লৈ কৰ্মদিন বৃদ্ধিৰ প্ৰস্তাৱ লোৱা হৈছে। ২০৪৭ চনৰ ভিতৰত ভাৰতক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে গ্ৰাম্য উন্নয়ন আঁচনিৰ পৰিকাঠামো নতুন ৰূপত গঢ় দিবলৈ চৰকাৰে এই সংস্কাৰ সাধন কৰিছে। নতুন আইন অনুসৰি দেশৰ সকলো ৰাজ্যৰ শ্ৰমিকে ইয়াত আবেদন কৰিব পাৰিব। আবেদনৰ ১৫ দিনৰ ভিতৰত কাম নাপালে শ্ৰমিকসকলে নিৰ্দিষ্ট হাৰত নিবনুৱা ভাট্টা লাভ কৰিব। ১ জুলাইৰ পৰা গ্ৰাম্য নিয়োগ আঁচনিৰ অধীনত চলি থকা সকলো কাম VB G RAM G আইনৰ আওঁতালৈ যাব। অৱশ্যে নতুন শ্ৰম কাৰ্ড লাভ নকৰা পৰ্যন্ত পূৰ্বে জবকাৰ্ড লাভ কৰা শ্ৰমিকসকলে পুৰণি কাৰ্ডতে কাম কৰিবলৈ সমৰ্থ হ'ব।

০০০০০০

দীপৰ বিলত সম্পন্ন হোৱা শেহতীয়া পক্ষী নিৰীক্ষণত কমেও ১৭৪ টা প্ৰজাতিৰ দেশী-বিদেশী পৰিভ্ৰমী চৰাই নথিভুক্ত হৈছে। এটা প্ৰকৃতিপ্ৰেমী সংগঠনে যোৱা বছৰৰ নৱেম্বৰৰ পৰা চলিত বছৰৰ এপ্ৰিললৈকে এই পক্ষী নিৰীক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰিছিল। নিৰীক্ষণ কালত দূৰবীণ আৰু কেমেৰা ব্যৱহাৰ কৰি চৰাই চিনাক্তকৰণৰ লগতে প্ৰযুক্তিৰো সহায় লোৱা হৈছিল। ১০ মে'ত অনুষ্ঠিত এই নিৰীক্ষণ কাৰ্যসূচীৰ সামৰণি অধিৱেশনত ছমহীয়া পক্ষী সমীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। নিৰীক্ষণত লাভ কৰা তথ্য অনুসৰি ৪২ টা প্ৰজাতিৰ শীতকালীন পৰিভ্ৰমী চৰাই আৰু ৬৬ টা দীপৰ বিলৰ চৰাই পোৱা গৈছে। পৰিভ্ৰমী চৰাইৰ ভিতৰত দেওৰাজ হাঁহ, দীঘলনেজী হাঁহ, বালিঘোঁৰা আৰু চাকৈচকোৱা উল্লেখযোগ্য বুলি কোৱা হৈছে।

০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা চমুকৈ NTA-এই যোৱা ৩ মে'ত অনুষ্ঠিত NEET UG-২০২৬ বাতিল কৰাৰ লগতে এই পৰীক্ষাত প্ৰশ্নকাকত ফাদিল হোৱা বিষয়টো তদন্তৰ দায়িত্ব চি বি আইক অৰ্পণ কৰিছে। সামাজিক মাধ্যমযোগে সংস্থাটোৰ সূত্ৰই কয়, যে ছাত্ৰ-ছাত্ৰীসকলৰ কল্যাণৰ প্ৰতি লক্ষ্য ৰাখি আৰু পৰীক্ষা ব্যৱস্থাটোৰ প্ৰতি আস্থা বৰ্তাই ৰাখিবলৈ এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই পৰীক্ষাত প্ৰশ্নকাকত ফাদিলৰ অভিযোগৰ বিস্তৃত তদন্তৰ বাবে বিষয়টো কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা CBI লৈ প্ৰেৰণ কৰা হৈছে। NTA -ৰ সূত্ৰই প্ৰকাশ কৰা মতে তদন্তকাৰী সংস্থাটোক বিষয়টো তদন্ত কৰাৰ বাবে প্ৰয়োজনীয় সকলো নথি আগবঢ়াই সহায় কৰা হ'ব। সংস্থাটোৱে প্ৰকাশ কৰা মতে অহা ১০ দিনৰ ভিতৰত পৰীক্ষাৰ নতুন সময়সূচীৰ বিষয়ে সদৰি কৰা হব। পঞ্জীয়ন আৰু শিক্ষাৰ্থীৰ তথ্যৰ লগতে ২০২৬ চনৰ এই পৰীক্ষাৰ বাবে নিৰ্বাচিত কেন্দ্ৰসমূহ অপৰিৱৰ্তিত থাকিব বুলি সংস্থাটোৱে প্ৰকাশ কৰে। তদুপৰি নতুনকৈ কোনো মাচুল আৰু পঞ্জীয়নৰ প্ৰয়োজন নহ'ব বুলি সংস্থাটোৱে স্পষ্ট কৰি দিছে।

০০০০০০

ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ তথা বিশিষ্ট সাংবাদিক অজিত কুমাৰ ভূঞা অসুস্থ হৈ বৰ্তমান জি এম চি এইচৰ আই চি ইউত চিকিৎসাধীন হৈ আছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে চিকিৎসালয়ত সাক্ষাৎ কৰি তেওঁৰ আশু আৰোগ্য কামনা কৰিছে।

oooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত নিশ্চয়তা কোষৰ সহযোগত বিশ্ববিদ্যালয়খনৰ FYIPGP ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মানসিক চাপ ব্যৱস্থাপনা কাৰ্যসূচী আৰু সজাগতা অভিযান অনুষ্ঠিত হয়। এই অনুষ্ঠানত যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ মনোৰোগ বিভাগৰ সহকাৰী অধ্যাপক ডাঃ দীপজ্যোতি বৰাই মানসিক স্বাস্থ্য, চাপ নিয়ন্ত্ৰণ আৰু মাদকদ্ৰব্যৰ ক্ষতিকাৰক প্ৰভাৱৰ বিষয়ে উল্লেখ কৰে। তেওঁ যুৱক-যুৱতীসকলৰ মাজত সুস্থ আৰু নিচামুক্ত জীৱনশৈলী গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত ছাত্ৰ পৰিক্ৰমা বিভাগৰ ডীন অধ্যাপক ডঃ সুৰজিৎ বৰকটকী আৰু অভ্যন্তৰীণ গুণগত নিশ্চয়তা কোষৰ সঞ্চালক অধ্যাপক অংকুৰ ভঁৰালীয়েও ভাষণ দিয়ে।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতা যোৱা নিশা অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ৮২ ৰানত পৰাস্ত কৰি পইণ্ট তালিকাৰ শীৰ্ষত স্থান লাভ কৰে। ১৬৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৪ অ'ভাৰ আৰু ৫ টা বলতেই আটাই কেইটা উইকেট হেৰুৱাই ৮৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাট টাইটানছৰ হৈ কাগিছ' ৰাবাদা আৰু জেচন হোল্ডাৰে তিনিটাকৈ উইকেট দখল কৰাৰ লগতে প্ৰসিদ্ধ কৃষ্ণাই দুটা আৰু মহম্মদ চিৰাজ আৰু ৰশ্বিদ খানে এটাকৈ উইকেট লাভ কৰে। কাগিছ' ৰাবাদাক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ টা উইকেটৰ বিনিময়ত ১৬৮ ৰান সংগ্ৰহ কৰে। সাই সুদৰ্শনে সৰ্বাধিক ৬১ আৰু ৱাচিংটন সুন্দৰে ২০ ৰানৰ বৰঙণি আগবঢ়ায়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ প্ৰফুল হিংগে আৰু ছাকিব হুচেইনে ২টাকৈ আৰু অধিনায়ক পেট কামিন্‌চে এটা উইকেট লাভ কৰে। প্ৰতিযোগিতাত আজি ৰায়পুৰত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooo

## News Paper REV

দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ ড০ হিমন্ত বিশ্ব শৰ্মাৰ, ২০ মে'ৰ পিছত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ সম্ভাৱনা, নীট ইউ জি বাতিল, জনপ্ৰিয় কবি জোনমণি দাসৰ অকাল বিয়োগ আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত কালি ড০ হিমন্ত বিশ্ব শৰ্মাই দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰা বাতৰি আজি আটাইকেইখন কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটো **আমাৰ অসম** কাকতত হিমন্ত বিশ্ব শৰ্মাৰ মহাঅভিষেক, **দৈনিক জনমভূমি** কাকতত বিকাশৰ নতুন যাত্ৰা, **অসমীয়া খবৰ** কাকতত জনসমুদ্ৰক সাক্ষী কৰি শপতগ্ৰহণ আদি শিৰোনামেৰে প্ৰকাশ পাইছে।

২০ মে'ৰ পিছত নতুন মন্ত্ৰীসভা সম্প্ৰসাৰণৰ সম্ভাৱনা থকাৰ বাতৰি অন্যতম মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে **অসমীয়া প্ৰতিদিন** কাকতখনে।

তামিলনাডুৰ নৱনিযুক্ত মুখ্যমন্ত্ৰী চি যোচেফ বিজয়ে কাৰ্যভাৰ গ্ৰহণৰ এদিনৰ পাছতে ৰাজ্যখনৰ ৭১৭ খনকৈ মদৰ দোকান বন্ধ কৰিবলৈ নিৰ্দেশ দিয়াৰ এটা বাতৰি দৈনিক অগ্ৰদূত কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

যোৱা ৩ মে'ত অনুষ্ঠিত নীট ইউ জি বাতিলৰ পাছত ইয়াৰ তদন্তৰ দায়িত্ব চি বি আইক অৰ্পণ কৰা বাতৰি সবিস্তাৰে প্ৰকাশ কৰিছে দৈনিক অসম কাকতখনে।

বতৰ বিজ্ঞান বিভাগে অসমৰ লগতে অৰুণাচল আৰু মেঘালয়ত ১২ৰ পৰা ১৬ মে'লৈ বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। বাতৰিটো দি আছাম ট্ৰিবিউন কাকতৰ।

জনপ্ৰিয় কবি জোনমণি দাসৰ কালি ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হোৱাৰ বাতৰি কবিগৰাকীৰ আলোকচিত্ৰসহ প্ৰায় আটাইকেইখন কাকতে প্ৰকাশ কৰিছে।

আৰ এছ এছৰ মুৰব্বী মোহন ভাগৱতে তিনি দিনীয়া কাৰ্যসূচীৰে আজি অসমলৈ আহিব এই বাতৰিটো দৈনিক জনমভূমি, দ্যা চেণ্টিনেল আদি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত চি কে শৰ্মা প্ৰেক্ষাগৃহত খেলুৱৈসকলক নিষিদ্ধ ঔষধ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যে কালি এটা শিবিৰ অনুষ্ঠিত হয়। এই সজাগতা শিবিৰত ক্ৰীড়াৰ ক্ষেত্ৰত নিষিদ্ধ ঔষধ ব্যৱহাৰ কৰি বহু খেলুৱৈ নিষিদ্ধ হোৱা ঘটনা সন্দৰ্ভত প্ৰায় ৮০ গৰাকী খেলুৱৈ আৰু অভিভাৱকক অৱগত কৰোৱা হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল, নাগালেণ্ড, ত্ৰিপুৰা, মিজোৰাম আৰু মণিপুৰৰ কোনো কোনো অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

***ঃঃ সমাপ্ত ঃঃ***